RNI Regn. No- AssAss/2011/38477

নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

-২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ চতুৰ্দশ বছৰ সংখ্যা ১১৪ শনিবাৰ ২৪ ফাগুন ১৯৪৬ শক ৮ মাৰ্চ ২০২৫ চন ASOMIYA KHABAR JORHAT SATU

## আজিৰে পৰা ডি এইছ এছ কানৈ মহাবিদ্যালয়ত কৃত্ৰিম বুদ্ধিমত্তাৰ দুদিনীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা

**ষ্টাফ ৰিপৰ্টাৰ**, ডিব্ৰুগড়, ৭ মাৰ্চ ঃ সমগ্ৰ বিশ্বতে প্ৰযুক্তিৰ উত্তৰণ ঘটিছে। আৰ্টিফিচিয়েল ইণ্টেলিজেঞ্চে মানুহৰ সভ্যতা-সংস্কৃতিকে পৰিৱৰ্তন কৰিবলৈ ধৰিছে। পৰিৱৰ্তনৰ এই সন্ধিক্ষণত শিকিব নিবিচৰা, শিকাব নিবিচৰা জাতিবোৰ বিলুপ্ত হৈ পৰিব। এনে চিন্তা-দৰ্শনেৰে কৃত্ৰিম বুদ্ধিমত্তাৰ (আৰ্টিফিচিয়েল ইণ্টেলিজেঞ্চ)-ৰ সম্পৰ্কত বিস্তৃত আলোচনা কৰিবলৈ ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত ৮ আৰু ৯ মাৰ্চত অনুষ্ঠিত হ'ব ৰাষ্ট্ৰীয় পৰ্যায়ৰ দুদিনীয়া কৰ্মশালা। মহাবিদ্যালয়খনত 'Integrating Generative AI, Interactive E-content and Advanced Technologies in Higher Education' শীৰ্ষক কৃত্ৰিম বুদ্ধিমত্তাৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালাখন অনুষ্ঠিত হ'ব। মহাবিদ্যালয়ৰ কম্পিউটাৰ বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সহযোগত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ দুদিনীয়া কৰ্মশালাত আৰ্টিফিচিয়েল ইণ্টেলিজেঞ্চৰ জৰিয়তে পৃথিৱীখন কেনেকৈ সলনি হ'বলৈ ধৰিছে, অধ্যাপক-শিক্ষকসকলে কেনেকৈ তেওঁলোকৰ পাঠদানত শেহতীয়া প্ৰযুক্তি ব্যৱহাৰ শিক্ষা ক্ষেত্ৰখনক উজ্জ্বলাই তুলিব পাৰে সেই বিষয়ত আলোচনা কৰি জ্ঞান বিনিময়ক লাভান্বিত কৰিব পাৰিব। কৰ্মশালাখনিত সমল ব্যক্তি হিচাপে উপস্থিত থাকিব ভাৰত চৰকাৰৰ অধীনৰ ভাৰতবৰ্ষৰ শিক্ষা নীতি প্ৰস্তুতকৰণকে ধৰি উচ্চ শিক্ষাৰ বিস্তাৰত শিক্ষণ-প্ৰশিক্ষণ, কৰ্মশালা, আলোচনা-চক্ৰ আদিৰে অহৰহ প্ৰয়াস কৰি থকা উচ্চ শিক্ষা প্ৰতিষ্ঠান NIEPA-ৰ তথ্য -প্ৰযুক্তি বিভাগৰ মুৰব্বী আৰু ই-শিক্ষণ প্ৰক্ৰিয়াৰ প্ৰকল্প ব্যৱস্থাপনা গোটৰ সভাপতি প্ৰাধ্যাপক কে শ্ৰীনিৱাস। উল্লেখ্য যে কানৈ মহাবিদ্যালয়ৰ ৮০ বছৰীয়া ইতিহাসত কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ উচ্চ শিক্ষানুষ্ঠান, শিক্ষা নীতিকে ধৰি শিক্ষাৰ প্ৰসাৰ আৰু প্ৰচাৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা NIEPA-ৰ তথ্য প্ৰযুক্তি বিভাগৰ মুৰব্বী আৰু ই-শিক্ষণ প্ৰক্ৰিয়াৰ প্ৰকল্প ব্যৱস্থাপনা গোটৰ সভাপতি আৰু মুৰব্বীয়ে সমল ব্যক্তি হিচাপে থকা এয়াই প্ৰথম। মহাবিদ্যালয়খনত শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীক এই কৰ্মশালাই প্ৰযুক্তিৰ ব্যৱহাৰ সম্পৰ্কত উপকৃত কৰিব। এক বিবৃতিত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এই কৰ্মশালাৰ যোগেদি বিশ্বৰ প্ৰযুক্তি খণ্ডৰ পৰিৱৰ্তন আৰু ন ন উদ্ভাৱন, সৃষ্টি, উচ্চ শিক্ষাৰ ভূমিকা সম্পৰ্কে অংশগ্ৰহণকাৰীসকলক অৱগত কৰাৰ লগতে NIEPA-ৰ দৰে কেন্দ্ৰীয় চৰকাৰৰ উচ্চ শিক্ষানুষ্ঠানে দেশৰ উচ্চ শিক্ষাৰ উত্তৰণত কেনেকৈ ভূমিকা গ্ৰহণ কৰি আছে সেইবিষয়েও অৱগত হ'ব বুলি উল্লেখ কৰে। এই কৰ্মশালাত সকলোৰে সহযোগিতা কামনা কৰিছে অধ্যক্ষগৰাকীয়ে।